ফিতনা মানুহৰ অন্তৰত ঢাৰি বোৱাৰ দৰে বৈ আহিব , যিদৰে ঢাৰি বনাওঁতে বাঁহৰ কাঠীবোৰ এটাৰ পিছত এটাকৈ লগোৱা হয়।

হুজাইফা ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত , তেওঁ কৈছেঃ আমি ওমৰ ৰাদ্বিয়াল্লাহু আনহুৰ ওচৰত বহি আছিলোঁ। তেতিয়া তেওঁ ক'লেঃ তোমালোকৰ মাজৰ কোনে ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামক ফিতনা সম্পৰ্কে আলোচনা কৰা শুনিছা ? তেতিয়া লোকসকলে ক'লেঃ আমি আটায়ে শুনিছোঁ। তেতিয়া তেওঁ ক 'লেঃ তোমালোকে হয়তো পৰিয়াল আৰু প্ৰতিৱেশীৰ ফিতনাৰ কথা ভাবিছা ? তেওঁলোকে ক'লেঃ হয়। তেওঁ ক'লেঃ চালাত, চিয়াম আৰু চাদাক্বাহৰ মাধ্যমত ইয়াৰ কাফ্‌ফাৰা হৈ যায়। কিন্তু তোমালোকৰ মাজৰ কোনে ডাঙৰ ডাঙৰ ফিতনা সম্পৰ্কে শুনিছা , যিবোৰ সাগৰৰ তৰংগৰ দৰে তীব্ৰ গতিত আহিব? হুজাইফা ৰাদ্বিয়াল্লাহু আনহুৱে কৈছেঃ এই প্ৰশ্ন শুনি সকলোৱে মৌন হৈ পৰিল। তেতিয়া মই ক'লোঁ ◌ঃ মই শুনিছোঁ। তেওঁ ক 'লেঃ তুমি আৰু তোমাৰ পিতৃও আছিল অত্যন্ত ধৰ্মপৰায়ণ। হুজাইফা ৰাদ্বিয়াল্লাহু আনহুৱে কৈছেঃ মই ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামৰ পৰা শুনিছোঁ , তেখেতে কৈছেঃ "ফিতনা মানুহৰ অন্তৰত ঢাৰি বোৱাৰ দৰে বৈ আহিব, যিদৰে ঢাৰি বনাওঁতে বাঁহৰ কাঠীবোৰ এটাৰ পিছত এটাকৈ লগোৱা হয়। যিটো অন্তৰত সেই ফিতনা গাঁথি পৰে তাত এটা ক'লা দাগ বহি পৰে। আনহাতে যি অন্তৰে সেইটো প্ৰত্যাখ্যান কৰে , তাত এটা উজ্জ্বল দাগ বহে। এইদৰে দুয়োটা অন্তৰ দুই ধৰণৰ হৈ পৰে। এটা হৈ যায় বগা শিলৰ দৰে, আকাশমণ্ডল আৰু পৃথিৱী যিমান দিন অৱশিষ্ট থাকিব , ফিতনাই সেই অন্তৰক কোনো ক্ষতি কৰিব নোৱাৰিব। আনটো হৈ পৰে বগা মিশ্ৰিত ক 'লা কলহৰ দৰে। তাৰ প্ৰবৃত্তিৰ মাজত যিটো সোমাই পৰিছে তাৰ বাহিৰে সি ভাল -বেয়া একো বুজি নাপায়। " হুজাইফা ৰাদ্বিয়াল্লাহু আনহুৱে কৈছেঃ মই তেওঁক আৰু ক 'লোঁ যে , আপোনাৰ আৰু সেই ফিতনাৰ মাজত আছে এটা বন্ধ দুৱাৰ। অচিৰেই সেইটো ভাঙি পেলোৱা হ 'ব। ওমৰ ৰাদ্বিয়াল্লাহু আনহুৱে ক 'লেঃ সৰ্বনাশ ! সেইটো ভাঙি পেলোৱা হ 'ব নেকি? যদি সেইটো ভাঙি নেপেলাই খোলা হ 'লহেঁতেন তেন্তে হয়তো বন্ধ কৰা গ 'লহেঁতেন। মই ক'লোঁ ◌ঃ নহয়, সেইটো ভাঙি পেলোৱা হ 'ব। হুজাইফাই কৈছেঃ মই তেওঁক এই কথাও কৈছোঁ যে , সেই দুৱাৰখন হৈছে এজন মানুহ। যাক হত্যা কৰা হ 'ব, নাইবা তেওঁ স্বাভাৱিক মৃত্যুবৰণ কৰিব। এইটো কোনো কল্প -কাহিনী নহয় , বৰং এইটো হৈছে ৰাছুলৰ হাদীছ। বৰ্ণনাকাৰী আবু খালিদে কৈছেঃ মই ছাআদক সুধিলোঁ ◌ঃ হে আবু মালিক! أَسْوَدُ مُرْبَادٌّ ৰ অৰ্থ কি ? তেওঁ ক'লেঃ বগা মিশ্ৰিত ক 'লা। মই আৰু সুধিলোঁ ◌ঃ الْكُوزُ مُجَخِّيًا ৰ অৰ্থ কি ? তেওঁ ক'লেঃ ওলটি থকা কলহ।

[ছহীহ] [(মুছলিম)]

আমীৰুল মুমিনীন ওমৰ ইবনুল খাত্তাব ৰাদ্বিয়াল্লাহু আনহুৰ এটা বৈঠকত কিছুমান চাহাবাৰ উপস্থিতিত তেওঁ তেওঁলোকক সুধিলেঃ তোমালোকৰ মাজৰ কোনে ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামক ফিতনা সম্পৰ্কে আলোচনা কৰা শুনিছা ? তেওঁলোকৰ কিছুমানে ক 'লেঃ আমি তেখেতক ফিতনা সম্পৰ্কে আলোচনা কৰা শুনিছোঁ। তেতিয়া ওমৰ ৰাদ্বিয়াল্লাহু আনহুৱে ক 'লেঃ সম্ভৱতঃ তোমালোকে সেই ফিতনা তথা পৰীক্ষাৰ কথা কৈ আছা ? যিটো ফিতনাৰ সন্মুখীন মানুহে নিজৰ আত্মীয়সকলৰ ক্ষেত্ৰত হ 'বলগীয়া হয়। যেনে - স্ত্ৰী আৰু সন্তান -সন্ততিৰ ক্ষেত্ৰত , সিহঁতক অত্যন্ত মুহাব্বত কৰাৰ কাৰণে , সি কৃপণ হৈ পৰে আৰু বহুতো কল্যাণৰ পৰা আঁতৰি থাকে। অথবা সি সিহঁতৰ প্ৰাপ্য অধিকাৰ আদায় কৰাৰ ক্ষেত্ৰত , বা শিক্ষা দীক্ষা দিয়াৰ ক্ষেত্ৰত

http://sunnah.global/hadeeth/as/show/66382